**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬০৬/২০১৯**

# ৩ দিনৰ ভিতৰত পুনৰ গঠন কৰা হ'ব গোৰ্খা উন্নয়ন পৰিষদ

## চাহ বাগিছাৰ চিলিং উদ্বৃত্ত মাটিৰ জৰিপ কৰি শীঘ্ৰে ভূমিহীন চাহ জনগোষ্ঠীৰ লোকক দিয়া হ'ব

### চাহ জনগোষ্ঠীৰ লোকৰ ভোগ দখলত থকা ভূমিৰ ম্যাদী পট্টা প্ৰদান কৰিব ৰাজ্য চৰকাৰে

## শীঘ্ৰে সমাধান কৰা হ'ব মেছ কছাৰীৰ সমস্যাসমূহ

## কোঁচ ৰাজবংশীৰ বিভিন্ন সংগঠনে অভিনন্দন জনালে মুখ্যমন্ত্ৰীক

**দিছপুৰ, ২৪ ডিচেম্বৰঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত চাহ জনগোষ্ঠীৰ জনজাতিকৰণ, চাহ জনগোষ্ঠীৰ বিভিন্ন সমস্যা সম্পৰ্কত বিতং ভাৱে আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চাহ বাগিছাৰ চিলিং উদ্বৃত্ত মাটি জৰিপ কৰি ভূমিহীন চাহ জনগোষ্ঠীৰ লোকক দিয়া হ'ব। আনহাতে ভোগ দখল কৰি থকা মাটিৰ ম্যাদী পট্টাকৰণৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। যিবোৰ ঠাইত চাহ জনগোষ্ঠীৰ লোকসকলৰ ভূমি আবন্টনৰ আবেদন সমূহ এতিয়াও কাৰ্যকৰী কৰা হোৱা নাই সেই সম্পৰ্কত আটছাক ৰাজ্য চৰকাৰক অৱগত কৰিবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে নতুন ভূমি নীতিৰ জৰিয়তে চাহ জনগোষ্ঠীৰ লোকসকলৰ সুৰক্ষা নিশ্চিত কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ১০ হাজাৰ চাহ জনজাতিৰ যুৱক-যুৱতীক ব্যৱসায়-বাণিজ্য কৰাৰ বাবে ২৫ হাজাৰ টকাকৈ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে চাহ বাগিছাৰ ৪২৮ খন বিদ্যালয়ত ঠিকাভিত্তিক দুগৰাকীকৈ শিক্ষক নিযুক্তি প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে চাহ বাগিছা এলেকাত ১০০ খন হাইস্কুল স্থাপনৰ বাবে যি সিদ্ধান্ত লৈছে তাক কাৰ্যকৰী ৰূপ দিয়াৰ বাবে আটছাক সহযোগিতা আগবঢ়াবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে চাইমন সিং হ'ৰ'ৰ নামেৰে চাহজনগোষ্ঠীৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি কয়।

আনহাতে আজি মুখ্যমন্ত্ৰীৰ সভা কক্ষত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা আৰু অসম গোৰ্খা সন্মিলনীৰ সৈতে আন এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত নেপালী সম্প্ৰদায়ৰ বিভিন্ন সমস্যাৰাজি সম্পৰ্কত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে কয় যে ভাতৃ দ্বিতীয়াৰ দিনটোক যোৱা বছৰ আংশিক

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

ভাৱে বন্ধৰ ঘোষণা কৰিছিল যদিও ইয়াক অতি শীঘ্ৰে আনুষ্ঠানিক ৰূপ দিয়া হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে অহা ৩ দিনৰ ভিতৰতে গোৰ্খা উন্নয়ন পৰিষদক পুনৰ গঠন কৰা হ'ব আৰু পৰিষদলৈ পৰ্যাপ্ত পুঁজি আগবঢ়োৱা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে বেল্ট আৰু ব্লক সমূহত গোৰ্খা সকলে ভুগি অহা ভূমিৰ অধিকাৰৰ বিষয়টো অতি শীঘ্ৰে মীমাংসা কৰা হ'ব। গোৰ্খা বিদ্যালয় সমূহত যাতে নেপালী পাঠ্যক্ৰম থাকে সেয়াও নিশ্চিত কৰা হ'ব বুলি তেওঁ কয়।

ইয়াৰ পিছতে আজি মেছ কছাৰী জাতীয় পৰিষদ, মেছ কছাৰী মহিলা পৰিষদ আৰু মেছ কছাৰী যুৱ পৰিষদৰ সৈতেও মুখ্যমন্ত্ৰীৰ আন এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে মেছ কছাৰীসকলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব। আনহাতে কোঁচ ৰাজবংশী সম্প্ৰদায়ৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধি দলেও আজি মুখ্যমন্ত্ৰীক অভিনন্দন জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে কোঁচ ৰাজবংশী সকলৰ সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰ অতিশয় আগ্ৰহী। কোঁচ ৰাজবংশী সম্প্ৰদায়ৰ আৰ্থ-সামাজিক, সাংস্কৃতিক সকলো দিশতে উন্নয়ন সাধনৰ বাবে ৰাজ্য চৰকাৰে আৰু অধিক পদক্ষেপ গ্ৰহণ কৰিব।

আজিৰ এই বৈঠক সমূহত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিত্ত ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, সাংসদ সকল ক্ৰমে কামাখ্যা প্ৰসাদ তাছা, তপন কুমাৰ গগৈ, পল্লৱ লোচন দাস, কেইবাগৰাকী বিধায়ক আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়া সকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**২৪/১২/২০১৯**